**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 17-08-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। ভাৰতৰ অধ্যক্ষতাত কাইলৈ নতুন দিল্লীত ব্ৰীকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ পৰিৱেশ মন্ত্ৰীসকলৰ দ্বাদশ বৈঠকৰ আয়োজন কৰা হৈছে।

২। কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে আজি নতুন দিল্লীত ২০২৬ বৰ্ষৰ **ৰাষ্ট্ৰীয় অনুভৱ** বঁটাসমূহ প্ৰদান কৰিব।

৩। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই, ইউ জি চি নেট পৰীক্ষাৰ ইংৰাজী, বাণিজ্য আৰু সমাজ শাস্ত্ৰ বিষয়ত পুনৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে।

৪। এফ আই এইচ হকী বিশ্বকাপত আজি নেডাৰলেণ্ডছত পুল-ডিৰ দ্বিতীয়খন খেলত ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ***আৰু***

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত স্প'ৰ্টিং ক্লাব দিল্লী আৰু ইষ্ট বেংগল ফুটবল ক্লাব ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

ভাৰতে কাইলৈ নতুন দিল্লীত ব্ৰীকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ পৰিৱেশ মন্ত্ৰীসকলৰ দ্বাদশ বৈঠকৰ আয়োজন কৰিছে। আজি পৰিৱেশ কাৰ্যগোট আৰু জলবায়ু পৰিৱৰ্তন তথা বহনক্ষম উন্নয়ন বিষয়ক সম্পৰ্ক গোটৰ শীৰ্ষ বিষয়াসকলৰ বৈঠক অনুষ্ঠিত হ'ব। ভাৰতৰ অধ্যক্ষতাত হ'বলগীয়া ব্ৰীকছ্‌ৰ পৰিৱেশ মন্ত্ৰীসকলে দ্বাদশ বৈঠকৰ মূল বিষয়বস্তু হৈছে– **স্থিতিস্থাপকতা, উদ্ভাৱন, সহযোগিতা আৰু বহনক্ষমতাৰ বিকাশ**। কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন দপ্তৰৰ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে এই বৈঠকত অধ্যক্ষতা কৰিব। পৰিৱেশ আৰু বন মন্ত্ৰালয়ে এই বৈঠক ফলপ্ৰসূ আলোচনা, সহমত আৰু পৰিৱেশ সহযোগিতা সুদৃঢ় কৰাৰ মঞ্চ হিচাপে পৰিগণিত হ'ব বুলি আশা কৰিছে। মন্ত্ৰালয়ে লগতে কয়, যে এই বৈঠকত অধ্যক্ষতাৰ অংশ হিচাপে ব্ৰীকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ পৰিৱেশ কাৰ্যগোটৰ অধীনত ভাৰতে চাৰিটা অগ্ৰাধিকাৰমূলক ক্ষেত্ৰ চিনাক্ত কৰিছে। এই ক্ষেত্ৰসমূহ হৈছে বহনক্ষম জীৱনশৈলীৰ প্ৰসাৰ, বনানীকৰণ, বনজুই ব্যৱস্থাপনা আৰু দুৰ্যোগ স্থিতিস্থাপকতা তথা চক্ৰীয় অৰ্থব্যৱস্থা আৰু অভিযোজন।

ooooo

কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি আৰু পেন্সন দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে আজি নতুন দিল্লীত ২০২৬ বৰ্ষৰ ৰাষ্ট্ৰীয় অনুভৱ বঁটাসমূহ প্ৰদান কৰিব। মন্ত্ৰালয়ে জনোৱা মতে এই অনুষ্ঠানতে পেন্সন মিত্ৰ সন্দৰ্ভত হাতপুথি আৰু ৰাষ্ট্ৰজোৰা ডিজিটেল জীয়াই থকাৰ প্ৰমাণপত্ৰ অভিযান-৫ৰ নিৰ্দেশাৱলী মুকলি কৰা হ'ব। অনুষ্ঠানৰ অংশ হিচাপে এখন বেংক প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে। এই প্ৰদৰ্শনীত ১৭টা পেন্সন বিতৰণ বেংকে অৱসৰ গ্ৰহণ কৰিবলগীয়া কৰ্মচাৰীসকলৰ বাবে নিজৰ সেৱাসমূহ প্ৰদৰ্শন কৰিব।

উল্লেখযোগ্য যে এই বছৰৰ ৰাষ্ট্ৰীয় অনুভৱ বঁটা আঁচনিৰ বাবে বাছনি লাভ কৰা ১৫ গৰাকী লোকে ৰাষ্ট্ৰ নিৰ্মাণত অৰিহণা যোগোৱাৰ লগতে পাছপ’ৰ্ট সেৱা কেন্দ্ৰ, পুৰণি নিয়মৰ অন্ত পেলাই বৰ্তমানৰ পৰিস্থিতিৰ সৈতে খাপ খোৱাকৈ নতুন নিয়ম গঠন, প্ৰশাসনিক আৰু গাণনিক ব্যৱস্থাত প্ৰযুক্তিৰ ব্যৱহাৰ, শক্তি সংৰক্ষণৰ দৰে চৰকাৰৰ বিভিন্ন অভিলাষী প্ৰকল্পত অংশ লৈছিল। অনুভৱ মঞ্চই কেন্দ্ৰীয় চৰকাৰৰ অৱসৰপ্ৰাপ্ত অথবা অৱসৰ গ্ৰহণ কৰিবলগীয়া কৰ্মচাৰী, ১২টা ৰাজহুৱা খণ্ডৰ বেংক আৰু কেন্দ্ৰীয় ৰাজহুৱা খণ্ডৰ উদ্যোগৰ কৰ্মচাৰীসকলক নিজৰ কাম কৰাৰ অভিজ্ঞতাৰ বিষয়ে প্ৰকাশৰ এখন মঞ্চ প্ৰদান কৰে।

০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা এন টি এই, ইউ জি চি নেট পৰীক্ষাৰ ইংৰাজী, বাণিজ্য আৰু সমাজ শাস্ত্ৰ বিষয়ত পুনৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। এই তিনিটা বিষয়ৰ প্ৰশ্নকাকতত ভালেমান ত্ৰুটি থকা বুলি অভিযোগ উঠাৰ পাছতে সংস্থাটোৱে পুনৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লয়। এন টি এই প্ৰকাশ কৰা মতে অহা ৯ ছেপ্তেম্বৰত পুৱা ৯ বজাৰ পৰা ১২ বজালৈ ইংৰাজী বিষয়ৰ পৰীক্ষা অনুষ্ঠিত হোৱাৰ লগতে একেদিনাই বিয়লি ৩ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ বাণিজ্য বিষয়ৰ পৰীক্ষা অনুষ্ঠিত হ’ব। সমাজ শাস্ত্ৰ পৰীক্ষা ১০ ছেপ্তেম্বৰত পুৱা ৯ বজাৰ পৰা ১২ বজালৈ অনুষ্ঠিত হ’ব। উল্লেখযোগ্য যে এন টি এই ৮৭টা বিষয়ত যোৱা ২২ৰ পৰা ৩০ জুনলৈ ইউ জি নেট পৰীক্ষা অনুষ্ঠিত কৰিছিল। পৰীক্ষাৰ ত্ৰুটিসমূহৰ তদন্তৰ বাবে সংস্থাটোৱে গঠন কৰা সমিতিখনে পৰীক্ষা ব্যৱস্থাটো নিকা আৰু আঁসোৱাবিহীন কৰাৰ বাবে এই তিনিখন কাকতত পুনৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ পৰামৰ্শ দিয়ে।

০০০০০

মধ্যপ্ৰদেশৰ ইণ্ডোৰত দশাহাৰা ময়দানৰ এখন উদ্যানত প্ৰাক্তন প্ৰধানমন্ত্ৰী, ভাৰতৰত্ন সন্মানেৰে সন্মানিত অটল বিহাৰী বাজপেয়ীৰ ২৫ ফুট উচ্চতাৰ এটা প্ৰতিমূৰ্তি স্থাপনৰ পৰিকল্পনা কৰা হৈছে। কালি ইয়াৰ আধাৰশিলা স্থাপন কৰা হয়। ইণ্ডোৰ পৌৰনিগমে প্ৰায় ১ কোটি ৯৭ লাখ টকা ব্যয় সাপেক্ষে এই প্ৰতিমূৰ্তি নিৰ্মাণ কৰিব। ৪ মাহৰ ভিতৰত প্ৰতিমূৰ্তিটো সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে। এই পদক্ষেপে ৰাষ্ট্ৰ, সুশাসন আৰু গণতান্ত্ৰিক প্ৰমূল্যলৈ অটল বিহাৰী বাজপেয়ীৰ অৱদানক সোঁৱৰাব। আধাৰশিলা স্থাপন কৰি মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী ড০ মোহন যাদৱে কয়, যে এই প্ৰতিমূৰ্তি কেৱল এটা স্মাৰকেই নহয়, বৰঞ্চ ই প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ আদৰ্শ আৰু মূল্যবোধ ভৱিষ্যত প্ৰজন্মলৈ কঢ়িয়াই নিয়াত সহায় কৰিব।

০০০০০

খোৱাপানীৰ গুণগত মান সন্দৰ্ভত ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ প্ৰতিবেদনৰ পাছতে ৰে’লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি সমগ্ৰ ৰে’ল ব্যৱস্থাত খোৱাপানীৰ মানৰ পৰ্যালোচনা কৰে। তেওঁ লগতে যাত্ৰীসকলক নিৰাপদ আৰু বিশুদ্ধ খোৱাপানী যোগান নিশ্চিত কৰাৰ বাবে তাৎক্ষণিকভাৱে যাৱতীয় ব্যৱস্থা ল’বলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। সুৰক্ষামূলক ব্যৱস্থাৰ অংশ হিচাপে ৰাটাৰ কুলাৰকে ধৰি প্ৰায় ২০ হাজাৰ স্থানত নতুন টেংকীৰ পৰা নললৈ পানী পৰিশোধন আৰু নিৰীক্ষণ ব্যৱস্থা স্থাপন কৰা হ’ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে পানীৰ উৎস আৰু পানী দিয়া স্থানসমূহত নিয়মীয়াকৈ পানীৰ গুণগত মান পৰীক্ষা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০

এফ আই এইচ হকী বিশ্বকাপত আজি নেডাৰলেণ্ডছৰ ৰেগেনাৰ হকী ষ্টেডিয়ামত পুল-ডিৰ দ্বিতীয়খন খেলত ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতে ৱেলছত অনুষ্ঠিত খেলত ৩-১ গ'লৰ ব্যৱধানত জয়েৰে অভিযান আৰম্ভ কৰাৰ বিপৰীতে ইংলেণ্ডে পাকিস্তানক ৪-১ গ'লত হৰুৱাই শক্তিশালী আৰম্ভণি কৰিছে। আজিৰ খেলখনত জয়ী হোৱা দলটো পুল-ডিৰ শীৰ্ষত থাকিব।

00000

১৩৫ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতা কালি ৰাঁচীৰ বীৰচা মুণ্ডা ফুটবল ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত স্প'ৰ্টিং ক্লাব দিল্লীয়ে, এফ চি ৰেংদাইক ৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। খেলখনৰ ৯ মিনিটত ৰেংদাইয়ে প্ৰথমটো গ'ল দিয়ে যদিও দ্বিতীয়াৰ্ধত দিল্লীয়ে শক্তিশালী প্ৰত্যাৱৰ্তন কৰি ৫টা গ'লেৰে বিজয় সাব্যস্ত কৰে। ইপিনে কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগণত অনুষ্ঠিত দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত কালি ইষ্ট বেংগল ফুটবল ক্লাবে ইণ্ডিয়ান আৰ্মী ফুটবল টীমক ১-০ গ'লত পৰাস্ত কৰে।

প্ৰতিযোগিতাত আজি বিয়লি ৪ বজাত কলকাতাত হ'বলগীয়া তৃতীয়খন কোৱাৰ্টাৰ ফাইনেলত  মোহন বাগান আৰু জামছেদপুৰ এফ চি মুখামুখি হ'ব। ইপিনে চতুৰ্থখন কোৱাৰ্টাৰ ফাইনেলত যোৱা দুবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড এফ চি, শ্বিলং লাজং এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন শ্বিলঙৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

00000

নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত আজিৰ পৰা ২৩ আগষ্টলৈ বি ডব্লিঅ' এফ বিশ্ব ছেম্পিয়নশ্বিপ অনুষ্ঠিত হ'ব। ২০১৯ চনৰ পাছত ভাৰতে এই প্ৰতিযোগিতাখন দ্বিতীয়বাৰৰ বাবে আয়োজন কৰিছে। ২০১১ চনৰ পৰা প্ৰতিখন বিশ্ব ছেম্পিয়নশ্বিপতে ভাৰতৰ খেলুৱৈয়ে কমেও এটা পদক লাভ কৰিবলৈ সমৰ্থ হৈছে। যোৱা ১১ টা সংস্কৰণত দেশে মুঠ ১৪ টা পদক লাভ কৰিছে।

পূৰ্বৰ বিশ্ব ছেম্পিয়ন পি ভি সিন্ধুৱে আজি হ'বলগীয়া মহিলা ছিংগলছৰ প্ৰথমখন মেচত অৱতীৰ্ণ হ'ব। পুৰুষৰ ছিংগলছত লক্ষ্য সেনৰ পৰা উন্নত প্ৰদৰ্শন আশা কৰা হৈছে। ইফালে আয়ুষ ছেট্টীয়ে প্ৰথমখন মেচত বৰ্তমানৰ ছেম্পিয়ন চীনৰ চি ইউকিৰ মুখামুখি হ'ব। পুৰুষৰ ডাবলছৰ যুটী স্বাত্বিক ছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ ছেট্টীৰ পৰা ভাৰতে পদক লাভ কৰিব বুলি আশা কৰা হৈছে। মহিলাৰ ডাবলছত ত্ৰিশা জলী আৰু গায়ত্ৰী গোপীচান্দে নেতৃত্ব দিয়াৰ বিপৰীতে মিক্সড ডাবলছত ধ্ৰুৱ কপিলা আৰু টানিশা ক্ৰাষ্টোৱে ভাৰতক প্ৰতিনিধিত্ব কৰিব।

00000

সমাপ্ত